# গ্রন্থ পর্যালোচনা

# BOOK REVIEW

# গ্ৰন্থ পৰ্যালোচনা
# 'মোৰ সত্য অন্বেষণৰ কাহিনী'

মহাত্মা গান্ধী 'মোৰ সত্য অন্বেষণৰ কাহিনী' কেৱল এজন ব্যক্তিৰ জীৱনৰ দস্তাবেজ নহয়, ই সত্য আৰু নৈতিকতাৰ এক ব্যৱহাৰিক পৰীক্ষাগাৰ, 'অমিয় কুমাৰ দাসৰ' সাৱলীল অনুবাদে এই বিশ্ববিখ্যাত গ্ৰন্থখনক অসমীয়া পাঠকৰ বাবে আপোন কৰি তুলিছে।

গ্ৰন্থখনৰ আটাইতকৈ বলিষ্ঠ দিশটো হ'ল লেখকৰ নিৰ্ভীকতা আৰু স্বচ্ছতা। এগৰাকী বিশ্বনেতা হৈয়ো নিজৰ কৈশোৰৰ ভুল, বিফলতা, মাংস ভক্ষণ বা পত্নীৰ সৈতে হোৱা মনোমালিন্যৰ দৰে ব্যক্তিগত কথাবোৰ যি সততাৰে তেওঁ স্বীকাৰ কৰিছে, সেয়া বিৰল। এই আত্মসমালোচনাসমূহে দুৰ্বলতা-সীমিত সৎ মানুহৰ সৈতে চিনাকি কৰাই দিয়ে, যিয়ে ভুলৰ মাজেৰেই মহত্ব লাভ কৰিছিল। গান্ধীৰ জীৱনৰ মূল আধাৰ সত্যাগ্ৰহ আৰু অহিংসাৰ ক্ৰমবিকাশ এই অন্তৰ সুন্দৰকৈ ফুটি উঠিছে। বিশেষকৈ দক্ষিণ আফ্ৰিকাৰ বৰ্ণবৈষম্যৰ বিৰুদ্ধে কৰা সংগ্ৰামে কেনেকৈ তেওঁৰ পৰৱৰ্তী ভাৰতীয় স্বাধীনতা আন্দোলনৰ ভেটি গঢ়িছিল সেই বিষয়ে গ্ৰন্থখনে ঐতিহাসিক আৰু দাৰ্শনিক আলোকপাত কৰে। অস্পৃশ্যতা বৰ্জন আৰু গ্ৰাম্য স্বাৱলম্বনৰ বাৰ্তাই তেওঁৰ সামাজিক দায়বদ্ধতাৰ পৰিচয় দিয়ে।

আলোচনাটোত কস্তুৰীবা গান্ধীৰ প্ৰসংগ বিশেষভাৱে উল্লেখনীয়। গান্ধীয়ে অকপটে স্বীকাৰ কৰিছে যে তেওঁৰ অহিংসা আৰু ধৈৰ্যৰ দৰ্শন বহুলাংশে কস্তুৰীবাৰ মৌন সহনশীলতাৰ পৰা আহিছিল। মহিলাসকলক স্বাধীনতা সংগ্ৰামলৈ টানি আনি আৰু তেওঁলোকক শক্তি হিচাপে মৰ্যাদা দিয়াৰ ক্ষেত্ৰত গান্ধীৰ ভূমিকা আছিল যুগান্তকাৰী।

গ্ৰন্থখনৰ গদ্যশৈলী অত্যন্ত সৰল আৰু প্ৰত্যক্ষ। অমিয় কুমাৰ দাসে মূল গ্ৰন্থৰ আত্মা ধৰি ৰাখি অসমীয়া ভাষাত যি সহজ-সৰল ৰূপত অনুবাদ কৰিছে সেয়া প্ৰশংসনীয়। কোনো ধৰণৰ পাণ্ডিত্যপূৰ্ণ জটিলতা নোহোৱাকৈ তেওঁ গভীৰ আধ্যাত্মিক আৰু নৈতিক কথা পাঠকলৈ আগবঢ়াই দিছে। গ্ৰন্থখনৰ একমাত্ৰ সীমাবদ্ধতা হ'ল যে ই ১৯২১ চনৰ পৰৱৰ্তী গান্ধীৰ জীৱন আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এক বৃহৎ অংশ সামৰি লোৱা নাই। ইয়াৰ উপৰি বিজ্ঞান ব্যক্তিগত পৰীক্ষা-নিৰীক্ষাৰ বৰ্ণনা আধুনিক প্ৰেক্ষাপটত বিতৰ্কিত যেন বোধ হ'ব পাৰে।

গ্ৰন্থখনৰ নামৰ সাৰ্থকতা অৰ্থাৎ 'সত্য অন্বেষণ' কেনেকৈ তেওঁৰ জীৱনৰ প্ৰতিটো সৰু বৰ পৰীক্ষাৰ সৈতে জড়িত আছিল, সেই দিশটোৱে মোৰ মনত এক গভীৰ প্ৰভাৱ পেলাইছে। নিজৰ জীৱনক এখন খোল খোৱা কিতাপৰ দৰে উপস্থাপন কৰাৰ যি প্ৰচেষ্টা সেয়াই মোক আটাইতকৈ বেছি প্ৰেৰণা যোগাইছে।

— বিংকুমণি গগৈ
দ্বিতীয় ষাণ্মাসিক

# গ্ৰন্থ পৰ্যালোচনা
# 'মোৰো এটা সপোন আছে'

ড° ৰুবুল সাইতৰ আত্মজীৱনীমূলক গ্ৰন্থ 'মোৰো এটা সপোন আছে' কেৱল এজন ব্যক্তিৰ সফলতাৰ কাহিনী নহয়, বৰঞ্চ ই হ'ল প্ৰতিকূলতাৰ বিৰুদ্ধে যুঁজ দি থকা হেজাৰ জনৰ বাবে এক আশাৰ আলোকবৰ্তিকা। গ্ৰন্থখনৰ লেখক ড° ৰুবুল সাইত বৰ্তমান সময়ৰ এজন বিশ্ববিখ্যাত অসমীয়া জীৱবিজ্ঞানী আৰু গৱেষক, যাৰ জন্ম হৈছিল তিনিচুকীয়া জিলাৰ কাকপথাৰৰ এক অতি দৰিদ্ৰ পৰিয়ালত। শৈশৱত চৰম আৰ্থিক অনাটন আৰু উগ্ৰপন্থী সমস্যাৰ বিভীষিকাৰ মাজত ডাঙৰ-দীঘল হোৱা সাইতে চাকৰি খোহৰত আৰু বাঁহৰ চাঙক টেবুল হিচাপে ব্যৱহাৰ কৰি পঢ়া-শুনা কৰিছিল। পঢ়াৰ খৰচ উলিয়াবলৈ তেওঁ ৰাস্তাত বনুৱাৰ কাম কৰাৰ পৰা আৰম্ভ কৰি বজাৰত শাক-পাচলি বিক্ৰী কৰালৈকে সকলো কৰিছিল যদিও তেওঁৰ বুকুত থকা অদম্য সপোনে তেওঁক কেতিয়াও থমকি ৰবলৈ দিয়া নাছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী ল আৰু পৰৱৰ্তী সময়ত পুনেৰ টাটা মৌলিক গৱেষণা প্ৰতিষ্ঠানৰ (TIFR) পৰা গৱেষণা কৰি আমেৰিকাৰ মাচাচুচেটছ বিশ্ববিদ্যালয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰা তেওঁৰ এই অবিশ্বাস্য যাত্ৰাই প্ৰমাণ কৰে যে জন্মগত দৰিদ্ৰতা কেতিয়াও মেধা আৰু ইচ্ছাশক্তিৰ হেঙাৰ হ'ব নোৱাৰে।

গ্ৰন্থখনত লেখকে তেওঁৰ জীৱনৰ সংগ্ৰামৰ কাহিনী অতি সৰল আৰু আৱেগিক ভাষাৰে বৰ্ণনা কৰিছে, য'ত শৈশৱ, সংগ্ৰাম, সুযোগ আৰু দেউতাৰ অসুখ – এই চাৰিটা খণ্ডৰ জৰিয়তে তেওঁৰ জীৱনৰ গুৰুত্বপূৰ্ণ মোৰবোৰ প্ৰকাশ পাইছে। লেখকে নিজৰ দোষ-দুৰ্বলতা, নীচাত্মিকাবোধ আৰু ইংৰাজী ক'ব নোৱাৰা সমস্যাবোৰক লুকুৱাই নাৰাখি কেনেকৈ সেইবোৰক কঠোৰ পৰিশ্ৰমৰ জৰিয়তে অতিক্ৰম কৰিলে, তাৰ এক নিভাঁজ ছবি ইয়াত দাঙি ধৰিছে। বিশেষকৈ দেউতাকৰ পাৰকিনচন ৰোগত আক্ৰান্ত হোৱাৰ খবৰটো পোৱাৰ পাছত তেওঁৰ মনত চলা ধুমুহা আৰু বিজ্ঞানৰ জটিল 'জিন এডিটিং' প্ৰযুক্তিক দেউতাকৰ ৰোগৰ সৈতে সংযোগ কৰি কৰা

ব্যাখ্যামূলক বৰ্ণনাই পাঠকৰ হৃদয় স্পৰ্শ কৰে। লেখকে দৰিদ্ৰতাক অভিশাপ হিচাপে নলৈ তাক আশীৰ্বাদ আৰু এক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিছে।

'মোৰো এটা সপোন আছে' মূলতঃ এখন আত্মজীৱনীমূলক গ্ৰন্থ। ইয়াৰ সন্নিবিষ্ট হৈছে কঠোৰ সংগ্ৰামেৰে পাৰ কৰা ড° শৰ্মাৰ শৈশৱ কৈশোৰ তথা জীৱনৰ ঘাত-প্ৰতিঘাত, আমেৰিকাত কৰা বৈজ্ঞানিক উদ্ভাৱন আৰু অভ্যাগত শিশুৰ সৈতে সম্পৰ্কিত এক সংবেদনশীল কাহিনী। সামগ্ৰিকভাৱে কবলৈ গ'লে, এই গ্ৰন্থখন প্ৰতিগৰাকী শিক্ষাৰ্থী আৰু অভিভাৱকৰ বাবে এক অপৰিহাৰ্য পাঠ। ইয়াৰ জীৱনৰ সত্যতা, ত্যাগ আৰু সফলতাৰ মূলমন্ত্ৰ। এই গ্ৰন্থখনে আমাক শিকায় যে সপোন যিমানেই ডাঙৰ নহওক কিয়, যদি তাক পূৰণ কৰাৰ বাবে প্ৰবল একাগ্ৰতা থাকে, তেন্তে এদিন সফলতা লাভ কৰাটো নিশ্চিত। ড° ৰুবুল শৰ্মাৰ এই জীৱনগাথা প্ৰতিজন অসমীয়াৰ বাবে গৌৰৱৰ বিষয় আৰু নৱ-প্ৰজন্মৰ বাবে জীৱন গঢ়াৰ এক শ্ৰেষ্ঠ অনুপ্ৰেৰণা, প্ৰতিজন অসমীয়াই গৰ্ব কৰিব পৰা আৰু অনুপ্ৰাণিত হ'ব পৰা এইখন এখন অনন্য সৃষ্টি।

— জ্যোতিষ্মতা দত্ত
ষষ্ঠ ষাণ্মাসিক

# ব্যংগ ৰচনা

# SATTIRE

# এগৰাকী ছাত্ৰীৰ দৃষ্টিত দুৰ্নীতি

মই এগৰাকী সাধাৰণ ছাত্ৰী। ৰাজনীতিৰ গভীৰ জ্ঞান মোৰ নাই, কিন্তু দৈনন্দিন জীৱনত প্ৰত্যক্ষ কৰা কিছুমান ঘটনাই মোক গভীৰভাৱে চিন্তা কৰিবলৈ বাধ্য কৰে। পাঠ্যপুথিত মই পঢ়িবলৈ পাওঁ যে দেশৰ উন্নতিৰ পথত আগবাঢ়িছে আৰু দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কিন্তু বাস্তৱ জীৱনত কেতিয়াবা ইয়াৰ বিপৰীত দৃশ্যহে দেখা যায়। কিছুমান কাম যিবোৰ অতি সহজতে বা নিয়মৰ মাজেৰে সম্পন্ন হ'ব লাগে, সেইবোৰৰ বাবেও কেতিয়াবা "অতিৰিক্ত সুবিধা" বা অনৈতিক পথৰ প্ৰয়োজন হোৱা যেন অনুভৱ হয়। এগৰাকী ছাত্ৰী হিচাপে মই ভাবোঁ- যদি আৰম্ভণিৰ পৰাই নিয়ম-নীতিসমূহ সঠিকভাৱে মানি চলা হ'লহেঁতেন, তেন্তে হয়তো এই সমস্যাবোৰে ইমান ভয়ংকৰ ৰূপ ধাৰণ নকৰিলেহেঁতেন। আমি যুৱ প্ৰজন্মই সদায় সততা আৰু ন্যায়ৰ পথ বাছি লোৱাৰ দৃঢ় সংকল্পবদ্ধ হোৱা উচিত।

মোৰ দৰে বহু ছাত্ৰ-ছাত্ৰীয়ে এখন দুৰ্নীতিমুক্ত আৰু সুস্থ সমাজৰ সপোন দেখে, য'ত কেৱল কষ্ট আৰু যোগ্যতাৰ ভিত্তিতেই সফলতা লাভ কৰিব পাৰি, অন্য কোনো চুটি পথৰ প্ৰয়োজন নহয়।

শেষত, মোৰ দৃঢ় বিশ্বাস —

"দুৰ্নীতিৰ বিৰুদ্ধে পৰিৱৰ্তন আনিবলৈ কেৱল উচ্চ পদস্থ বিষয়াই নহয়, বৰঞ্চ আমাৰ দৰে সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ সৎ চিন্তা আৰু সঠিক পদক্ষেপৰো অতি প্ৰয়োজন।"

নিকিতা শইকীয়া
ষষ্ঠ ষাণ্মাসিক

আমাৰ হাতত থকা দামী স্মাৰ্টফোন বা স্মাৰ্ট ঘড়ীয়ে আমাক প্ৰকৃত আধুনিক কৰিব নোৱাৰে। গতিকে আহক, চকু দুটা মুদি কিবা এটা বিশ্বাস কৰাৰ সলনি চকু দুটা মেলি সমাজখনৰ অসংগতিবোৰক অলপ হাঁহিৰে লিখোঁ। কাৰণ, অন্ধবিশ্বাসৰ আটাইতকৈ ফলপ্ৰসূ ঔষধটোৱেই হ'ল 'যুক্তি' আৰু অলপ 'হাঁহি'।

ঝৰ্ণা সোণোৱাল
ষষ্ঠ ষাণ্মাসিক

# অন্যান্য

# OTHERS

# মহৎলোকৰ বাণী

১। ক'লা ৰাত্ৰিৰ বুকুত যেনেকৈ প্ৰভাত
লুকাই থাকে, তেনেকৈ পাছে পাছে
পৰাজয়ৰ পাছতো জয় নিশ্চিত।
জীৱনৰ তাতেই সাৰ্থকতা।
— ড° ভূপেন হাজৰিকা।

২। মানুহক দুখ দি ঈশ্বৰক পূজা কৰি লাভ নাই, দুখীজনৰ মুখত হাঁহি বিৰিঙাব পাৰিলেই ঈশ্বৰক সেৱা কৰা হয়।
— জুবিন গাৰ্গ।

৩। এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন ভাল মানুহ হত্যা কৰা একে কথা।
— মিল্টন

৪। এটা বন্দুকৰ গুলীতকৈ এটোপ চিয়াঁহীৰ মূল্য বেছি।
— মাদাৰ টেৰেছা।

৫। আমি এনে শিক্ষা বিচাৰোঁ যি শিক্ষাই আমাক চৰিত্ৰৱান হ'বলৈ শিকাব, মনৰ দৃঢ়তা বৃদ্ধি কৰিব, মেধাৰ প্ৰসাৰ ঘটাব আৰু নিজৰ ভৰিত থিয় হ'বলৈ সক্ষম কৰাব।
— স্বামী বিবেকানন্দ।

৬। কিতাপ নথকা জাতিক গামোচাই বচাব নোৱাৰে।
— জুবিন গাৰ্গ।